**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-07-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। অপাৰেচন সিন্দূৰ সম্পৰ্কে আলোচনাৰ দাবীকে ধৰি বিভিন্ন বিষয় লৈ বিৰোধী পক্ষৰ সদস্যসকলে দিয়া ধ্বনিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনৰ দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ বৰ্ষাকালীন অধিৱেশন ফলপ্ৰসূ হ'ব বুলি আশা প্ৰকাশ কৰিছে।

৩। অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ কনাড পুৰকায়স্থই ৰাজ্যসভাৰ সাংসদ হিচাপে শপতগ্ৰহণ কৰিছে।

৪। বিমান দুৰ্ঘটনা তদন্ত সংস্থাই এয়াৰ ইণ্ডিয়াৰ AI-171 বিমানখনৰ দুৰ্ঘটনাৰ তদন্ত স্বচ্ছভাৱে চলাই আছে বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰাম মোহন নাইডুৱে প্ৰকাশ কৰিছে।

*আৰু*

৫। ইউক্ৰেইনে চলোৱা ড্ৰোণ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত মস্কোৰ মূল বিমানবন্দৰসমূহত কমেও ১৪০ খন বিমানৰ যাত্ৰা সাময়িকভাৱে বাতিল কৰা হৈছে।

০০০০

অপাৰেচন সিন্দূৰ সম্পৰ্কে আলোচনাৰ দাবীকে ধৰি বিভিন্ন বিষয় লৈ বিৰোধী পক্ষৰ সদস্যসকলে দিয়া ধ্বনিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনৰ দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়। কামকাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে আৰু অন্যান্য দলৰ সদস্যসকলে ধ্বনি অব্যাহত ৰাখে আৰু সদনৰ মজিয়ালৈ উঠি যায়। অধ্যক্ষই বিৰোধীপক্ষৰ সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ আৰু শূন্যকালত ভাগ ল'বলৈ বাৰে বাৰে অনুৰোধ জনায়। ইয়াৰ মাজতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে আলোচনাত কাৰ্যসূচী থিৰাং কৰাৰ বাবে দিনৰ দুই বাজি ৩০ মিনিটত কাৰ্যক্ৰমণিকা উপদেষ্টা সমিতিৰ এখন বৈঠক আহ্বান কৰা হৈছে। তেওঁ কয়, যে চৰকাৰ আলোচনাৰ বাবে সাজু হোৱা স্বত্বেও বিৰোধী পক্ষৰ সদস্যসকলে সদনত প্ৰতিবাদ কৰাটো অনুচিত।

প্ৰতিৰক্ষা মন্ত্ৰী তথা লোকসভাত উপ-নেতা ৰাজনাথ সিঙে কয়, যে যি কোনো বিষয় লৈ আলোচনা কৰিবলৈ চৰকাৰ সম্পূৰ্ণ ৰূপে সাজু। ইয়াৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কামকাজ দিনৰ দুই বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত নিম্ন সদনে অলপতে দেহাৱসান ঘটা আঠগৰাকী প্ৰাক্তন সদস্যই শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। সদনে লগতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোক সকললৈ শ্ৰদ্ধা জনায়। বিভন্ন ৰাজ্যত প্ৰাকৃতিক বিপৰ্যয়ত ধন-জন হানিৰ ঘটনাক লৈও সদনে গভীৰ শোক প্ৰকাশ কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ  সফল যাত্ৰাৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ' আৰু  গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাক অভিনন্দন জনায়। সদনত এই সাফল্যক লৈ বিষয়দভাৱে আলোচনা হ'ব বুলি তেওঁ ঘোষণা কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ বৰ্ষাকালীন অধিৱেশন ফলপ্ৰসূ হ'ব আৰু অধিৱেশনৰ সময়ছোৱাত হোৱা চহকী আলোচনাই দেশৰ গণতন্ত্ৰ ব্যৱস্থাক সৱল কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে। বৰ্ষকালীন অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে  আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মোদীয়ে কয়, যে এই অধিৱেশন দেশৰ বাবে গৌৰৱৰ আৰু আমাৰ সমূহীয়া সাফল্য উদযাপনৰ উপলক্ষ। প্ৰধানমন্ত্ৰীয়ে আজিৰে পৰা আৰম্ভ হোৱা বৰ্ষাকালীন অধিৱেশন সুচাৰুৰূপে চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ সকলো দলৰ সাংসদৰ প্ৰতি আহ্বান জনায়।

শ্ৰী মোদীয়ে কয়, যে বিশ্বই ভাৰতৰ সামৰিক শক্তি প্ৰত্যক্ষ কৰিছে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত সেনাবাহিনীয়ে এশ শতাংশ সফলতাৰে নিৰ্ধাৰিত লক্ষ্যত উপনীত হৈছে। অপাৰেচন সিন্দূৰৰ অধীনত সন্ত্ৰাসবাদৰ মূল ষড়যন্ত্ৰকাৰীসকলক তেওঁলোকৰ গোপন ঘাটিতে নাশ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে তেওঁলোকে মাত্ৰ ২২ মিনিটকে অভিযানৰ লক্ষ্য সম্পূৰ্ণ কৰে। শ্ৰী মোদীয়ে কয়, যে পেহেলগামৰ বৰ্বৰ আক্ৰমনে সমগ্ৰ বিশ্বক আচৰ্যচকিত কৰিছে আৰু সন্ত্ৰাসবাদ তথা ইয়াৰ অভিকেন্দ্ৰৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। তেওঁ কয়, যে দলীয় স্বাৰ্থৰ ঊৰ্ধত উঠি অধিকাংশ দলৰ জনপ্ৰতিনিধিয়ে বিভিন্ন দেশ ভ্ৰমণ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পাকিস্তানৰ ভূমিকা উদঙাই দিয়াৰ বাবে সমূহীয়াভাৱে অতিকে ফলপ্ৰসূ অভিযানৰ নেতৃত্ব বহন কৰে। প্ৰধানমন্ত্ৰী কয়, যে দেশ সন্ত্ৰাসবাদৰ পৰা নক্সালবাদলৈ ভালেমান হিংসাত্মক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, যদিও বৰ্তমান নক্সালবাদ আৰু মাওবাদৰ প্ৰভাৱ দ্ৰুতভাৱে হ্ৰাস পাইছে। পূৰ্বতে মাওবাদী অধ্যুষিত এলেকাসমূহ সম্প্ৰতি উন্নয়ন আৰু বিকাশৰ অনুকূল ক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান দেশৰ বিভিন্ন প্ৰান্তৰ কেইবাখনো জিলা নক্সালবাদৰ পৰা মুক্ত হৈছে। শ্ৰী মোদীয়ে কয়, যে প্ৰতিৰক্ষা ক্ষেত্ৰৰ নৱেষণা আৰু উন্নয়নমূলক কামকাজে প্ৰত্যাক্ষিত উদগণি লাভ কৰিব আৰু ইয়াৰ ফলত দেশৰ যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপন আৰু উদ্ভাৱনৰ নতুন সুযোগ সৃষ্টি হ'ব। কেইবাখনো দেশত ইউ পি আই ব্যৱস্থা জনপ্ৰিয় হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ডিজিটেল ইণ্ডিয়াই বিশ্বত খলকনি তুলিছে। তেওঁ কয়, যে ই বিত্ত প্ৰযুক্তিজগতত পৰিচিত নাম হৈ উঠিছে। শ্ৰী মোদীয়ে কয়, যে ২০১৪ চনৰ পূৰ্বে ভাৰতৰ অৰ্থব্যৱস্থা ১০ নম্বৰ স্থানত আছিল আৰু সম্প্ৰতি বিশ্বৰ তৃতীয় সৰ্বৃহত অৰ্থব্যৱস্থা হোৱাৰ দিশে ধাৱমান হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই জনসাধাৰণৰ আশা-আকাংক্ষাৰ অভিব্যক্তি আৰু ৰাষ্ট্ৰীয় স্বাৰ্থৰ সুৰক্ষাৰ বাবে সকলো সাংসদৰ সমূহীয়া ভূমিকা গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰিছে। শ্ৰী বিৰলাই আজি সামাজিক মাধ্যম যোগে সদনত সকলো দলৰ নেতা আৰু সদস্যসকলক সদনৰ কাম-কাজ নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। গঠনমূলক বিতৰ্ক আৰু সুস্থ গণতান্ত্ৰিক আলোচনাৰ বাবে আহ্বান জনাই শ্ৰী বিৰলাই কয়, যে এনে ধৰণৰ আলোচনাৰ মাধ্যমেৰে সদনে সৰ্বাত্মক বিকাশ, সামাজিক ন্যায় আৰু অৰ্থনৈতিক প্ৰগতিৰ বাবে দৃঢ় পদক্ষেপ ল'ব পাৰে। অধ্যক্ষগৰাকীয়ে লগতে সংসদৰ বৰ্ষাকালীন অধিৱেশন অৰ্থবহ আৰু সফল হ'ব বুলি আশা প্ৰকাশ কৰে। সকলোৱে ঐক্যবদ্ধভাৱে গণতান্ত্ৰিক ব্যৱস্থাৰ

সৰলীকৰণ, বৈচিত্ৰ্যৰ মাজত ঐক্য আৰু সাংবিধানিক প্ৰমূল্যৰাজীৰ সুদৃঢ়কৰণৰ বাবে অৰ্থবহ অৱদান আগবঢ়াব বুলিও তেওঁ আস্থা প্ৰকাশ কৰে।

০০০০

ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি অসমৰ পৰা উচ্চ সদনলৈ নিৰ্বাচিত দুগৰাকী সদস্য আৰু তিনি গৰাকী মনোনীত সদস্যক পদ আৰু গোপনীয়তাৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। নিৰ্বাচিত সদস্য দুগৰাকী অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ কনাড পুৰকায়স্থ। শপতগ্ৰহণ কৰা ৰাজ্যসভাৰ মনোনীত সদস্য কেইগৰাকীৰ ভিতৰত ড০ মিনাক্ষী জৈন, চি সদানন্দ মাষ্টাৰ আৰু হৰ্ষবৰ্ধন শৃংলা আছে। সদনে লগতে যোৱাবাৰৰ অধিৱেশনৰ পাছৰ সময়ছোৱাত দেহাৱসান ঘটা সাত গৰাকী প্ৰাক্তন সাংসদলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে।

০০০০

বিমান দুৰ্ঘটনা তদন্ত সংস্থা এ এ আই বিয়ে স্বচ্ছভাৱে এয়াৰ ইণ্ডিয়াৰ AI-171 বিমানখনৰ দুৰ্ঘটনাৰ তদন্ত চলাই আছে বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰাম মোহন নাইডুৱে প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি প্ৰশ্নকালত সোধা এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে সংশ্লিষ্ট আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ আৰু পক্ষসমূহক জড়িত কৰি আন্তঃৰাষ্ট্ৰীয় মান অনুসৰি এই তদন্ত কৰি থকা হৈছে। তেওঁ কয়, যে তদন্তৰ প্ৰাৰম্ভিক পৰ্যায়ৰ সম্পূৰ্ণ হৈছে আৰু প্ৰাৰম্ভিক প্ৰতিবেদনো দাখিল কৰা হৈছে। তেওঁ কয়, যে অকল দেশৰেই নহয়, বৰং পাশ্চাত্যৰ সংবাদ মাধ্যমসমূহে এই দুৰ্ঘটনা সন্দৰ্ভত নিজৰ নিজৰ দৃষ্টি ভংগীৰে বাতৰি প্ৰকাশ কৰা দেখা গৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰ সত্যৰ পক্ষত থাকিব খোজে। তদন্তৰ অন্ততহে প্ৰকৃত সত্য কি জানিব পৰা যাব বুলি শ্ৰী নায়ডুৱে মন্তব্য কৰে।

০০০০

ৰাছিয়াত ইউক্ৰেইনে চলোৱা ড্ৰোণ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত মস্কোৰ মূল বিমানবন্দৰসমূহত কমেও ১৪০ খন বিমানৰ যাত্ৰা সাময়িকভাৱে বাতিল কৰা হৈছে। ৰাছিয়াৰ সংবাদ সংস্থাই প্ৰকাশ কৰা মতে ইয়াৰ ফলত ছিৰিমেটিয়েভ, ভনুক'ভ, ড'ম'ডেড'ভ আৰু জুক'ভিস্কি বিমান বন্দৰত হাজাৰ হাজাৰ যাত্ৰী আবদ্ধ হৈ পৰিছে। ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে যোৱা নিশা মস্কোত ৩০ খন ড্ৰোনকে ধৰি মুঠ ১১৭ খন ড্ৰোন ধবংস কৰে বুলি দাবী কৰিছে। পৰহি ১৭২ খন ড্ৰোন ধবংস কৰা হয়। বিমান যাত্ৰা ব্যাহত হোৱাৰ ফলত ৰাছিয়াৰ সুদূৰ প্ৰাচ্যৰ কেইবা হাজাৰো লোক আবদ্ধ হৈ পৰে। কৰ্তৃপক্ষই এই লোকসকলক ছেইণ্ট পিটাৰ্ছবাৰ্গৰ পৰা ৰাজধানী চহৰখনলৈ ঘূৰাই নিয়াৰ বাবে অতিৰিক্ত যাত্ৰীবাহী ৰে'লৰ ব্যৱস্থা কৰিছে।

০০০০

জম্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাৰ খানকুৰ গভীৰ বনাঞ্চলত লুকাই থকা সন্ত্ৰাসবাদীৰ সন্ধানত সুৰক্ষা বাহিনীয়ে আজি পুনৰ অভিযান আৰম্ভ কৰিছে। হিজবুল মুজাহিদিনৰ সন্ত্ৰাসবাদীৰ সৈতে যোৱা নিশা সেনা আৰু আৰক্ষীৰ সংঘৰ্ষৰ পাছতে সুৰক্ষা বাহিনীয়ে আত্মগোপন কৰা সন্ত্ৰাসবাদীকেইটাৰ সন্ধানত অভিযান আৰম্ভ কৰে। অঞ্চলটোত ড্ৰোণ আৰু প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰ নিয়োগ কৰা হৈছে। ইপিনে প্ৰবল বৰষুণৰ ফলত ৰিয়েছি জিলাত মাতা বৈষ্ণদেৱী ধামৰ সমীপত ভূমিস্খলনৰ ফলত চাৰিজন তীৰ্থযাত্ৰী গুৰুতৰভাৱে আহত হয়। আহতসকলক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০

সমাপ্ত